**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে আজি বিয়লি ৰাজ্যৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ডাঃ শুভ্ৰকিংকৰ গোস্বামী, সঞ্জীৱ ফুকন, অতনু ভূঞা, প্ৰাঞ্জল শইকীয়া, ডাঃ হিতেশ বৰুৱা আৰু শিৰাণু বৰা উপস্থিত আছিল। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আটাইকেইগৰাকী ব্যক্তিয়ে কয়, যে এছ আই টিয়ে তেওঁলোকক তদন্ত প্ৰক্ৰিয়া অগ্ৰগতি সম্পৰ্কে অৱগত কৰে যদিও মৰণোত্তৰ পৰীক্ষা বা তেনে কোনোধৰণৰ গোপনীয় তথ্য তেওঁলোকক প্ৰদান কৰা নাই। ছিংগাপুৰতো সমান্তৰালভাৱে এই ঘটনাৰ তদন্ত চলি থকা বুলি এছ আই টিয়ে অৱগত কৰাৰ কথা তেওঁলোকে উল্লেখ কৰে। দলটোৰ অন্যতম সদস্য, জ্যেষ্ঠ সাংবাদিক অতনু ভূঞাই এই বৈঠকৰ অন্তত এইদৰে কয় –

বাইট

উল্লেখযোগ্য যে ২০ গৰাকী ব্যক্তিক আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও ৬ গৰাকী ব্যক্তিয়ে বৈঠকত উপস্থিত হয়। সদৌ অসম ছাত্ৰ সন্থাইও এই আলোচনাত অংশ নলয় বুলি আগতীয়াকৈ প্ৰকাশ কৰিছিল। জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত আজি সংগঠনটোৱে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই জনতাৰ শিল্পীগৰাকীৰ মৃত্যু ঘটনাৰ তদন্ত পানী নসৰকা হ'ব লাগিব বুলি দাবী তোলে। সংগঠনটোৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এছ আই টিয়ে আজি আলোচনাৰ বাবে জনোৱা আমন্ত্ৰণ গ্ৰহণ নকৰা সন্দৰ্ভত কয়, যে তদন্তকাৰী সংস্থাই গোচৰ সংক্ৰান্তত আলোচনাৰ বাবে মাতিলে অভিযুক্ত পক্ষৰ অধিবক্তাই আদালতত আইনী সুযোগ উলিয়াব পাৰে। এই অনুসৰি আইনজ্ঞৰ পৰামৰ্শমৰ্মে আলোচনাত অংশগ্ৰহণ নকৰা বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী অসমীয়াসকলৰ ৭ গৰাকীয়ে এই পৰ্যন্ত অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলৰ আগত ভাষ্য দিছে। আজি অভিমন্যু তালুকদাৰ আৰু তন্ময় ফুকন নামৰ ব্যক্তি দুগৰাকী উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হৈ ভাষ্য প্ৰদান কৰে। আৰক্ষী বিষয়াই দুয়োকে বহু সময় ধৰি সোধা-পোছা কৰে। ইয়াৰ আগেয়ে কালি চাৰিগৰাকী প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জিঅ'লাংছাত নাৰ্জাৰী নামৰ লোক তিনিজনক এছ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। বিয়লি প্ৰবাসী অসমীয়া ভাস্কৰজ্যোতি দত্তই এছ আই টিৰ কাৰ্যালয়ত উপস্থিত হৈ ভাষ্য দিয়ে। ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। ছিংগাপুৰ আৰক্ষীয়ে

এই ঘটনা সন্দৰ্ভত তদন্ত চলাই আছে আৰু তেওঁলোকে বিচৰা তথ্য অসম আৰক্ষীয়ে যোগান ধৰিছে বুলি এছ আই টিৰ মুৰববী মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰে। ইপিনে, নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনছিক গৱেষণাগাৰে প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনে তদন্তক নতুন গতি দিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল আজি ঘোষণা কৰা হয়। ফলাফল অনুসৰি স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতি পদত গুঞ্জন ডেকা, উপ সভাপতি পদত সিদ্ধাৰ্থ শংকৰ হাজৰিকা, সাধাৰণ সম্পাদকৰ পদত প্ৰবালজ্যোতি শৰ্মা, সহকাৰী সম্পাদকৰ পদত বাৰ্বি গগৈ বিজয়ী হয়। ইপিনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ নিৰ্বাচনৰ ভোটগণনা চলি থকাৰ মাজতে আজি বিয়লি প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ কিছুসংখ্যক সদস্যৰ মাজত নিৰ্বাচন কেন্দ্ৰীক মাৰপিটৰ ঘটনা সংঘটিত হয়। তথ্য অনুসৰি স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকৰ পদত প্ৰথমবাৰৰ বাবে এ বি ভি পি সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰিবলৈ সমৰ্থ হয়। আছু সমৰ্থিত প্ৰাৰ্থীয়ে ভালেসংখ্যক পদত জয়লাভ কৰিলেও মূল পদ দুটা এ বি ভি লৈ যোৱাৰ ফলতে এই মাৰপিটৰ ঘটনা সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে। পাছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

০০০০০

বি টি চিৰ কাৰ্যবাহী সদস্য হিচাপে আজি নৱ-নিৰ্বাচিত ১২ জন পাৰিষদে শপত গ্ৰহণ কৰে। কোকৰাঝাৰৰ বডোফা নগৰত বি টি চি বিধায়িনী সভাৰ সভাকক্ষত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মুকেশ চাহুৱে নৱ-নিৰ্বাচিত কাৰ্যবাহী সদস্যসকলক গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। আজি নৱগঠিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি টি চি পৰিষদৰ কাৰ্যবাহী সদস্যৰ প্ৰথমখন বৈঠক কোকৰাঝাৰৰ বি টি চি সচিবালয়ত অনুষ্ঠিত হয়।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**